**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ ভগৱান মহাবীৰ বনস্থলী উদ্যানত এটা বিশেষ গছ পুলি ৰোপণ অভিযানৰ নেতৃত্ব দিছে।

২। ভাৰতীয় ৰে'লৱেই চলিত বছৰতে শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হ'ব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আশা প্ৰকাশ কৰিছে।

৩। অসমৰ সাম্প্ৰতিক বানত ১৯ খন জিলাৰ ভালেমান অঞ্চল প্লাৱিত হৈছে।

৪। কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বত প্ৰতিনিধি দলে আমেৰিকা যুক্তৰাষ্ট্ৰত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা শক্তিশালী স্থিতি সন্দৰ্ভত দৃঢ়তাৰে প্ৰকাশ কৰে।

আৰু

৫। চীনৰ হাংজৌত হ'বলগীয়া মহিলাৰ এছিয়া কাপত অহা ৫ ছেপ্তেম্বৰত ভাৰতীয় হকী দল থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভগৱান মহাবীৰ বনস্থলী উদ্যানত এটা বিশেষ গছ পুলি ৰোপণ অভিযানৰ নেতৃত্ব দিয়ে। **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অংশ হিচাপে প্ৰধানমন্ত্ৰীয়ে উদ্যানখনত এটা বট গছৰ পুলি ৰোপণ কৰে। এই অভিযান আৰাৱলী খণ্ডৰ ৭০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলেকাত বনানীকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা আৰাৱলী সেউজ দেৱাল প্ৰকল্প শীৰ্ষক অভিলাষী কাৰ্যসূচীৰ অংশ হিচাপে ৰূপায়ণ কৰা হৈছে। উল্লেখযোগ্য যে আৰাৱলী সেউজ দেৱাল প্ৰকল্পৰ অধীনত দিল্লী, ৰাজস্থান, হাৰিয়ানা আৰু গুজৰাটৰ ২৯ খন জিলা সামৰি থকা আৰাৱলী পৰ্বতৰ প্ৰায় ৫ কিলোমিটাৰ এলেকাত বনানীকৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ জৰিয়তে সেউজ অঞ্চল বৃদ্ধি কৰা, জৈৱ বৈচিত্ৰ্য পুনৰ উদ্ধাৰ, ভূমিৰ উৰ্বৰতা বৃদ্ধি, জলাশয় সংৰক্ষণ আৰু এই সমগ্ৰ খণ্ডত জলবায়ু স্থিতিস্থাপকতা বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই কাৰ্যসূচীৰ দ্বাৰা স্থানীয় লোকসকলক নিয়োগৰ সুবিধা প্ৰদান কৰাৰ লগতে উপাৰ্জন বৃদ্ধিৰ ব্যৱস্থা কৰা হৈছে। আজিৰ কাৰ্যসূচীতে প্ৰধানমন্ত্ৰী মোদীয়ে বহনক্ষম নগৰ পৰিবহণৰ প্ৰচাৰৰ অংশ হিচাপে দিল্লী চৰকাৰৰ স্বচ্ছ পৰিবহণ পদক্ষেপৰ অধীনত ২০০ খন বৈদ্যুতিক বাছ মুকলি কৰে। ৰাষ্ট্ৰীয় ৰাজধানীখনত বায়ু প্ৰদূষণ হ্ৰাস তথা সেউজ পৰিবহণ ব্যৱস্থা প্ৰসাৰৰ লক্ষ্যৰে এই বৈদ্যুতিক বাছসমূহৰ সেৱা আৰম্ভ কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে নতুন দিল্লীত তেওঁৰ চৰকাৰী বাসভৱনত সেন্দূৰ গছৰ পুলি ৰোপণ কৰে। এই পুলিটো ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত অপৰিসীম সাহস আৰু বীৰত্বৰে যুঁজ দিয়া গুজৰাটৰ কচ্চৰ সেনা জোৱানৰ মাতৃ আৰু ভগ্নীসকলে প্ৰধানমন্ত্ৰীক উপহাৰ হিচাপে আগবঢ়াইছিল। শ্ৰী মোদীয়ে শেহতীয়া গুজৰাট ভ্ৰমণৰ বিষয়ে উল্লেখ কৰি কয়, যে এই সেন্দূৰ গছৰ পুলিটো দেশৰ নাৰী শক্তিৰ সাহস আৰু প্ৰেৰণাৰ শক্তিশালী নিদৰ্শন হৈ ৰ'ব।

০০০০০০০০০

পৰিবহণ ব্যৱস্থাক স্বচ্ছ কৰি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বহনক্ষম প্ৰচেষ্টাৰ অধীনত ভাৰতীয় ৰে'লৱেই কাৰ্বন নিৰ্গমন শূন্য কৰি তোলাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰয়াস চলাই আছে বুলি

ৰে’ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৭০ চনৰ পূৰ্বে দেশক কাৰ্বন নিৰ্গমন শূন্য কৰি তোলাৰ বাবে নিৰ্ধাৰণ কৰা পঞ্চামৃত লক্ষ্যৰ আধাৰত এই প্ৰচেষ্টা লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে এখন ইংৰাজী দৈনিক বাতৰি কাকতত প্ৰকাশিত এটা প্ৰৱন্ধত শ্ৰী বৈষ্ণৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতীয় ৰে’লৱেই বহুমুখী দৃষ্টিভংগীৰে শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে ৰে’ল বিভাগে এই ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন কৌশল সম্পৰ্কে উল্লেখ কৰি কয়, যে ভাৰতীয় ৰে’লে বহনক্ষম আৰু পৰিৱেশ অনুকুল পৰিবহণ ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে বদ্ধপৰিকৰ। তেওঁ কয়, যে যোৱা বছৰত ৭০০ কোটিৰো অধিক যাত্ৰীয়ে ৰে’লযোগে ভ্ৰমণ কৰিছে। ৰাষ্ট্ৰীয় পৰিবহণৰ এই মাধ্যম কেৱল দেশত জীৱনৰেখাই নহয়, ভাৰতক সেউজ ভৱিষ্যতৰ দিশে লৈ যোৱাৰ ক্ষেত্ৰত মূল চাবিকাঠি বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিগত এটা দশকত ৰে’লযোগে সামগ্ৰী পৰিবহণৰ ক্ষেত্ৰতো অভূতপূৰ্ব পৰিৱৰ্তন হৈছে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে কাৰ্গ’ সৰবৰাহ ২০১৩-১৪ বৰ্ষত এহেজাৰ নিযুত টনৰ পৰা ২০২৪-২৫ বৰ্ষত এহেজাৰ ৬১৭ নিযুট টনলৈ বৃদ্ধিৰে ভাৰত বিশ্বৰ ভিতৰতে দ্বিতীয় সৰ্ববৃহৎ কাৰ্গো পৰিবহণকাৰী দেশ হিচাপে পৰিগণিত হৈছে। এই ৰূপান্তৰৰ ফলত দেশখনে ১৪৩ নিযুত টন কাৰ্বন নিৰ্গমনৰ পৰা হাত সাৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই পৰিমাণ ১২১ কোটি গছপুলি ৰোপণৰ পৰা হ’ব পৰা লাভৰ সমানুপাতিক। শক্তিক্ষেত্ৰত স্বাৱলম্বিতা অৰ্জনত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰে’লৱে বৈদ্যুতিকীকৰণ অভিযান দ্ৰুত কৰি তুলিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ২০১৪ চনলৈকে দেশৰ ২১ হাজাৰ কিলোমিটাৰ ৰে’লপথৰ বৈদ্যুতিকীকৰণ কৰা হৈছিল যদিও বিগত ১১ বছৰত ৪৭ হাজাৰ কিলোমিটাৰ ৰে’লপথ বৈদ্যুতিকীকৰণ কৰা হৈছে। ৯৯ শতাংশ ব্ৰডগজ ৰে’লপথ বৈদ্যুতিকীকৰণৰ ফলত আমদানিকৃত ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাইছে বুলিও শ্ৰী বৈষ্ণৱে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতীয় ৰে’লৱেই চলিত বছৰতে অৰ্থাৎ নিৰ্ধাৰিত সময়তকৈ ৫ বছৰ পূৰ্বে শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হ’ব বুলি আশা কৰা হৈছে।

০০০০০০০০০

দেশত দৰিদ্ৰ লোকসকলৰ সৱলীকৰণৰ লগতে সৰ্বাত্মক বিকাশ আৰু আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা নিৰ্ণায়ক পদক্ষেপৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে গৰীব কল্যাণ, সেৱা আৰু সু-প্ৰশাসনৰ ১১ বছৰ সম্পূৰ্ণ কৰা উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰীৰ আবাস যোজনা, উজ্বলা যোজনা, জন-ধন যোজনা আৰু আয়ুস্মান ভাৰত যোজনাই গৃহ নিৰ্মাণ, ৰন্ধন গেছ আৰু বেংকিং তথা স্বাস্থ্যসেৱা খণ্ড সুলভ কৰি তুলিছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয়, যে প্ৰত্যক্ষ লাভ হস্তান্তৰ, ডিজিটেল ব্যৱস্থাত অন্তৰ্ভুক্তি আৰু গ্ৰাম্য আন্তঃগাঁথনি শক্তিশালীকৰণৰ দ্বাৰা স্বচ্ছতা নিশ্চিত কৰাৰ লগতে দেশৰ শেষ প্ৰান্তলৈকে দ্ৰুত সেৱা প্ৰদান সম্ভৱ হৈ উঠিছে। এনেধৰণৰ পদক্ষেপে দেশৰ ২৫ কোটিৰো অধিক লোকক দৰিদ্ৰতাৰ পৰা মুক্ত হোৱাত সহায় কৰিছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে।

০০০০০০০০০

বিগত কিছুদিন ধৰি অসমত ধাৰাসাৰ বৰষুণৰ ফলত বিভিন্ন নৈ-উপনৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ১৯ খন জিলাৰ ভালেমান অঞ্চল প্লাৱিত হৈছে। সাম্প্ৰতিক বানত ৰাজ্যখনত ৬ লাখ ৭৮ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰ ফলত বছৰৰ প্ৰথমটো বানত ৰাজ্যখনত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৪ লৈ বৃদ্ধি পাইছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৯০টা আশ্ৰয় শিবিৰত ৪১ হাজাৰ ৩১৭ ৰো অধিক লোকে আশ্ৰয় লৈ আছে।

এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। বানৰ ফলত ৰাজ্যৰ বিভিন্ন স্থানত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত ৰাজ্যখনত পাতলীয়াৰ পৰা বিজুলী-ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

0000000

কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধি দলটোৱে আমেৰিকা যুক্তৰাষ্ট্ৰত দেশখনৰ শীৰ্ষ নেতৃবৰ্গ, জ্যেষ্ঠ বিষয়া আৰু আমেৰিকাত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সন্মুখত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা শক্তিশালী স্থিতি সন্দৰ্ভত দৃঢ়তাৰে প্ৰকাশ কৰে। ৱাশ্বিংটন ডিচিত আমেৰিকাৰ বৈদেশিক পৰিক্ৰমা সম্পৰ্কীয় সংসদীয় সমিতিৰ নেতৃবৰ্গৰ সৈতে সাক্ষাতৰ পাছত শ্ৰী থাৰুৰে কয়, যে এই বৈঠকত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়া আৰু শত্ৰু ৰাষ্ট্ৰৰ আক্ৰমণৰ পৰা নিজক সুৰক্ষা দিয়াৰ বাবে ভাৰতে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত সকলো নেতাই সহমতত উপনীত হয়। শ্ৰী থাৰুৰে কয়, যে ভাৰতৰ প্ৰতি প্ৰদৰ্শন কৰা এই শক্তিশালী আৰু চৰ্তবিহীন সমৰ্থনৰ বাবে দেশখন কৃতজ্ঞ। সাংবাদিকৰ আগত আমেৰিকাৰ বৈদেশিক পৰিক্ৰমা বিষয়ক সংসদীয় সমিতিৰ অধ্যক্ষ ব্ৰায়ান মাষ্টে ভাৰতত সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে সাম্প্ৰতিক বিশ্বত এনেধৰণৰ আক্ৰমণৰ বাবে কোনো স্থান নাই বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয়, যে কোনোবাই আক্ৰমণ কৰিলে প্ৰত্যাক্ৰমণ কৰাৰ বিকল্প নাথাকে। ইপিনে, জনতা দল ইউনাইটেডৰ সাংসদ সঞ্জয় ঝাৰ নেতৃত্বত এটা সৰ্বদলীয় প্ৰতিনিধি দলে আজি নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰক সাক্ষাৎ কৰে। ডি এম কেৰ সাংসদ কানিমুঝিৰ নেতৃত্বত আন এটা প্ৰতিনিধিৰ দলেও আজি ড° জয়শংকৰক সাক্ষাৎ কৰে।

000000000

চৌদি আৰৱত আজি ভাৰতৰ লগতে বিশ্বৰ লাখ লাখ মুছলমান সম্প্ৰদায়ৰ লোকে পৱিত্ৰ হজ সম্পন্ন কৰিছে। কালি হজযাত্ৰীসকলে  মিনাত নিশা কটাই আজি তেওঁলোক হজৰ মূল নামাজৰ বাবে আৰাফতৰ সমভূমিত সমবেত হৈছে। তাত তেওঁলোকে আজি দিনটো কটাই নিম্ৰা মছজিদত কুটুবা-ই-হজৰ প্ৰাৰ্থনা ধ্বনি শুনিব আৰু আল্লাৰ পৰা ক্ষমা বিচাৰিব। সন্ধিয়া মুজাদালিফ এৰাৰ পূৰ্বে দিনৰ আৰু আবেলিৰ নামাজ আদায় কৰিব। তীৰ্থযাত্ৰীসকলে কাইলৈ পুৱা পশু বলি আৰু চয়তানলৈ শিল দলিওৱা কাৰ্যৰ প্ৰতীকিভাৱে সমাপন কৰাৰ বাবে মিনালৈ উভতি আহিব।

000000000

চীনৰ হাংজৌত হ'বলগীয়া মহিলাৰ এছিয়া কাপত অহা ৫ ছেপ্তেম্বৰত ভাৰতীয় হকী দল থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত জাপান, থাইলেণ্ড আৰু ছিংগাপুৰৰ সৈতে ভাৰত পুল-বিত আছে। যোৱাবাৰৰ প্ৰতিযোগিতা ব্ৰঞ্জৰ পদক জয় কৰা ভাৰতে এইবাৰ খিতাপ জয়ৰ যুঁজত অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতা জয়লাভ কৰিলে কেৱল এছিয়া কাপৰ ট্ৰফী লাভ কৰাই নহয় বৰং অহা বছৰ হ'বলগীয়া মহিলাৰ এফ আই এইচ হকী বিশ্বকাপত পোনপটীয়াকৈ স্থান নিশ্চিত কৰিব। ২০১৭ চনত ভাৰতে চীনক হৰুৱাই এছিয়া কাপ জয়ী কৰিছিল।

000000000

সমাপ্ত